NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

ooooooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাম্প্ৰতিক যুগক ভাৰতৰ বাবে সোণালী সময়ৰূপে অভিহিত কৰিছে।

২। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, জম্মু আৰু কাশ্মীৰত সন্ত্ৰাসবাদৰ পুনৰুত্থানৰ প্ৰচেষ্টাসমূহক পুলিয়ে-পোখাই উভালি পেলোৱা হৈছে আৰু এই অঞ্চলটোত সন্ত্ৰাসবাদে কেতিয়াও পুনৰাই গা কৰি উঠিব নোৱাৰে।

৩। কেন্দ্ৰীয় জাহাজ, বন্দৰ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তামিলনাডুৰ ঠুটুকুড়ি বন্দৰত নৰমটো কণ্টেইনাৰ টাৰ্মিনেল মুকলি কৰে।

৪। উচ্চতম ন্যায়ালয়ে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ  গোচৰৰ নিজাববীয়াকৈ গ্ৰহণ কৰা শুনানী কাইলৈও অব্যাহত থাকিব।

***আৰু***

৫। ভাৰতে এছিয়ান চেম্পিয়নছ ট্ৰফী-২০২৪ হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাম্প্ৰতিক যুগক ভাৰতৰ বাবে সোণালী সময়ৰূপে অভিহিত কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কৈছে যে, গোলকীয় প্ৰেক্ষাপটত ভাৰতৰ ভাৰমূৰ্তি সলনি হৈছে আৰু বৰ্তমান সময়ত বিশ্বৰ প্ৰায় প্ৰতিখন দেশেই নিজৰ সমস্যাসমূহৰ সমাধান বিচাৰি ভাৰতৰ কাষ চাপে।

শ্ৰীমোদীয়ে কৈছে যে, বৰ্তমান দেশে নিজৰ অমৃত কাল প্ৰত্যক্ষ কৰিছে আৰু তেওঁ দেশক অহা ২৫ বছৰৰ ভিতৰত বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তুলিবলৈ বদ্ধপৰিকৰ। তেওঁ বিকশিত ভাৰতৰ লক্ষ্য বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত গুজৰাটে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলিও মন্তব্য কৰে। আজি গুজৰাটৰ আহমেদাবাদত ৮ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰাৰ পাছত উপস্থিত জনগণক

সম্বোধন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে আহমেদাবাদ আৰু ভূজৰ মাজত চলিবলগীয়া দেশৰ প্ৰথমখন নমো ভাৰত ৰেপিড ৰে'ল আৰু ছখন বন্দে ভাৰত ৰে'ল ভাৰ্চুৱেল ব্যৱস্থাৰে মুকলি কৰে।

শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰীৰূপে তেওঁৰ তৃতীয়টো কাৰ্য্যকালৰ প্ৰথম ১০০ দিনে সকলোৰে বাবে প্ৰভাৱশালী বিকাশৰ বাট কটা বুলিও মন্তব্য কৰে। তেওঁৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে যোৱা ১০০ দিনত সমাজৰ প্ৰতিটো স্তৰৰে কল্যাণৰ হকে বহুকেইটা উল্লেখযোগ্য সিদ্ধান্ত গ্ৰহণ কৰা বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয়। যোৱা ১০০ দিনত ৰে'ল, পথ, বন্দৰ আৰু বিমান সংযোগৰ ক্ষেত্ৰত কেইবাটাও প্ৰকল্প মুকলি হোৱাৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে অনাগত সময়ত নমো ভাৰত ৰেপিড ৰে'ল দেশৰ আন আন প্ৰান্ততো মুকলি কৰাৰ পৰিকল্পনা থকাৰ কথা সদৰী কৰে।

০০০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, জম্মু আৰু কাশ্মীৰত সন্ত্ৰাসবাদৰ পুনৰুত্থানৰ প্ৰচেষ্টাসমূহক পুলিয়ে-পোখাই উভালি পেলোৱা হৈছে আৰু এই অঞ্চলটোত সন্ত্ৰাসবাদে কেতিয়াও পুনৰাই গা কৰি উঠিব নোৱাৰে। আজি কিস্তৱাৰৰ পাড্ডাৰ-নাগছেনি অঞ্চলত প্ৰাক্তন মন্ত্ৰী সুনীল শৰ্মাৰ হৈ অংশগ্ৰহণ কৰা এখন নিৰ্বাচনী প্ৰচাৰ সভাত শ্ৰীশ্বাহে এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে নেচনেল কনফাৰেন্স-কংগ্ৰেছ মিত্ৰজোটে জম্মু আৰু কাশ্মীৰত চৰকাৰ গঠন কৰিবলৈ সমৰ্থ নহ'ব বুলিও মন্তব্য কৰে।

শ্ৰীশ্বাহে আজি দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰামবান, কিস্তৱাৰ আৰু পাড্ডাৰত হ'বলগীয়া কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত তেওঁ অংশগ্ৰহণ কৰে। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ আজি অন্তিমদিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ প্ৰচাৰ অভিযান তীব্ৰগতিত চলা পৰিলক্ষিত হৈছে। আনহাতে, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই অহা ২০ ছেপ্তেম্বৰত জম্মু ভ্ৰমণ কৰাৰ লগতে এটা 'মেগা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেউজ বিকাশ আৰু শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰিছে। শ্ৰী মোদীয়ে আজি গান্ধীনগৰৰ মহাত্মা মন্দিৰত চতুৰ্থ গোলকীয় নৱীকৰণযোগ্য শক্তি বিনিয়োগকাৰী সন্মিলন আৰু প্ৰদৰ্শনী উদ্বোধন কৰি দিয়া ভাষণত এইদৰে কয়। প্ৰধানমন্ত্ৰীয়ে কয় যে ১৪০ কোটি ভাৰতীয়ই দেশক বিশ্বৰ ভিতৰতে শীৰ্ষৰ তিনিখন অৰ্থনীতিৰ ভিতৰৰ অন্যতম হিচাপে গঢ়ি তোলাৰ বাবে সংকল্পবদ্ধ হৈ কাম কৰি আছে। প্ৰধানমন্ত্ৰীয়ে পি এম সূৰ্য ঘৰ বিনামূলীয়া বিজুলী আঁচনিৰো শুভাৰম্ভ কৰে।

কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে এই সন্মিলনৰ আয়োজন কৰিছে। তিনিদিনীয়া এই সন্মিলনত অনুষ্ঠিত হ'বলগীয়া ৪০ খনতকৈও অধিক অধিৱেশনৰ জৰিয়তে সেউজ হাইড্ৰ'জেন, উদ্ভাৱনীমূলক বিত্ত সাহায্য আৰু ভৱিষ্যতৰ শক্তি সমাধান আদি বিষয় সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হ'ব। ১৪০ খন দেশৰ প্ৰায় ১০ হাজাৰ প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় জাহাজ, বন্দৰ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তামিলনাডুৰ ঠুটুকুড়ি বন্দৰত নৰমটো কণ্টেইনাৰ টাৰ্মিনেল মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ড্ৰ'ণ পৰ্য্যবেক্ষণ কেন্দ্ৰ, স্তম্ভ লাইট আৰু সৌৰশক্তি প্ৰকল্পৰ দৰে কেইবাটাও সা-সুবিধা উৎসৰ্গা কৰে। অনুষ্ঠানত শ্ৰীসোণোৱালে কয় যে, প্ৰায় ৪০০ কোটি টকা ব্যয় সাপেক্ষে নৱ-নিৰ্মিত কণ্টেইনাৰ টাৰ্মিনেলটো বছৰি ৬ লাখ কণ্টেইনাৰ পৰিচালনা কৰিব পৰাকৈ সমৰ্থ। তেওঁ লগতে কয় যে, কেন্দ্ৰীয় চৰকাৰে দেশজুৰি বন্দৰ, আন্তঃগাঁথনি প্ৰসাৰৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ ৰাজ্য মন্ত্ৰী শান্তনু ঠাকুৰে কয় যে, কাৰ্য্যকৰী আন্তঃগাঁথনিৰ বাবে চৰকাৰে সাগৰমালা আৰু গতিশক্তিৰ দৰে আঁচনিসমূহ ৰূপায়ণ কৰিছে।

ooooooooo

অষ্টম ভাৰত জল সপ্তাহ, ২০২৪ কাইলৈৰে পৰা নতুন দিল্লীত অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰত মণ্ডপমত এই কাৰ্যসূচী উদ্বোধন কৰিব। চাৰিদিনীয়া এই কাৰ্যসূচীত ২০০ গৰাকী বিদেশী প্ৰতিনিধিসহ ৪০ খন দেশৰ প্ৰায় ৪ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। প্ৰদৰ্শনীৰ সময়ছোৱাত ১০০ কৈও অধিক প্ৰদৰ্শক আৰু ষ্টাৰ্টআপে জল ক্ষেত্ৰত নিজ নিজ ভাৱাদৰ্শ প্ৰদৰ্শন কৰিব। নতুন দিল্লীত অনুষ্ঠিত সংবাদমেলত জলশক্তি মন্ত্ৰ্যালয়ৰ সচিব দেৱশ্ৰী মুখাৰ্জীয়ে কয় যে উপযুক্ত জল ব্যৱস্থাপনাই দেশৰ আৰ্থিক বৃদ্ধি ত্বৰান্বিত কৰিব। তেওঁ কয় যে এই অনুষ্ঠানে বিশ্বৰ বিভিন্ন প্ৰান্তৰ জলসম্পদৰ ক্ষেত্ৰত গোলকীয় পৰ্যায়ৰ নীতি নিৰ্ধাৰণকাৰী গৱেষক, বিশেষজ্ঞ, উদ্ভাৱক আৰু অংশীদাৰসকলৰ পৰা তেওঁলোকৰ ভাৱধাৰা আৰু মতামত আহৰণৰ বাবে ই এক গোলকীয় মঞ্চ হিচাপে কাম কৰিব।

ooooooooo

উচ্চতম ন্যায়ালয়ে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ গোচৰৰ নিজাববীয়াকৈ গ্ৰহণ কৰা শুনানী কাইলৈও অব্যাহত থাকিব। শীৰ্ষ আদালতখনে যোৱা মাহত কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ত এগৰাকী কনিষ্ঠ চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ চুও মট' অৰ্থাৎ নিজাববীয়াকৈ গোচৰৰ শুনানী গ্ৰহণ কৰিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত এখন তিনিজনীয়া বিচাৰপীঠে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাৰ শেহতীয়া প্ৰতিবেদনৰ ওপৰত বিচাৰ-বিবেচনা কৰিব। উল্লেখযোগ্য যে, কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাটোৱে শনিবাৰে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষ আৰু তালা আৰক্ষী থানাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত বিষয়া অভিজিৎ মণ্ডলক ধৰ্ষণ আৰু হত্যাৰ গোচৰত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছিল।

ooooooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি নতুন দিল্লীত ভাৰত ষ্টাৰ্ট আপ ন'লেজ এক্সেছ ৰেজিষ্ট্ৰি **ভাস্কৰ** মুকলি কৰে। ভাস্কৰ হৈছে অনলাইন আদান-প্ৰদানৰ এখন মঞ্চ, যিয়ে ষ্টাৰ্ট-আপ বিনিয়োগকাৰী সেৱা প্ৰদানকাৰী আৰু নিয়ন্ত্ৰণকাৰী সংস্থাসমূহকে ধৰি ঔদ্যোগীকৰণৰ মূল অংশীদাৰসকলৰ মাজত সহযোগিতা কেন্দ্ৰীভূত, সুশৃংখলিত আৰু বৃদ্ধি কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীগোৱেলে কয় যে, উদ্যোগী আৰু আন অংশীদাৰসকলক ভাৰতক ষ্টাৰ্ট-আপ জৈৱ প্ৰক্ৰিয়াৰ গোলকীয় হাব হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। তেওঁ কয় যে, ভাস্কৰে ষ্টাৰ্ট-আপসমূহক সংযোগ, সহযোগিতা আৰু প্ৰতিযোগিতাত সহায় কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, এই মঞ্চই অভিলাষী বিপ্লৱৰ সূচনা কৰিবলৈ আশা-আকাংক্ষা আৰু সফলতা কঢ়িয়াই আনিব।

০০০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৰলিক স্পীকত আজি নিশা চাৰে ন বজাত **স্বচ্ছতাই সেৱা অভিযানৰ অধীনত স্বচ্ছ ভাৰত সুনিশ্চিত কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ** সন্দৰ্ভত এটি বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। এই আলোচনাত অংশগ্ৰহণ কৰিব জলশক্তি মন্ত্ৰালয়ৰ স্বচ্ছ ভাৰত অভিযানৰ সঞ্চালক তথা যুটীয়া সচিব জীতেন্দ্ৰ শ্ৰীবাস্তৱ আৰু গৃহ নিৰ্মাণ তথা নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ সঞ্চালক অনিতা মীনাই। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি এই সন্দৰ্ভত অতিথিকেইগৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০০০০

ভাৰতে এছিয়ান চেম্পিয়নছ ট্ৰফী-২০২৪ হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি চীনৰ হুলুনবুইৰত অনুষ্ঠিত ছেমি ফাইনেলত ভাৰতে দক্ষিণ কোৰিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ হৈ অধিনায়ক হৰমনপ্ৰীত সিঙে দুটা গ'ল দিয়াৰ বিপৰীতে উত্তম সিং আৰু জৰমনপ্ৰীত সিঙে এটাকৈ গ'ল দিয়ে। আনহাতে, দক্ষিণ কোৰিয়াৰ হৈ য়াং জিহুনে একমাত্ৰ গ'লটো দিয়ে। ভাৰত আৰু চীনৰ মাজত ফাইনেল খেলখন কাইলৈ ভাৰতীয় সময় অনুসাৰে বিয়লি চাৰে ৩ বজাত অনুষ্ঠিত হ'ব।

০০০০০০০০০

**সমাপ্ত**